# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-11-2024
**Time :** 0755 Hrs

# *Assamese Morning Bulletin*

**- - - - - - - - - - - - -**

ooooo

সমগ্ৰ দেশৰ লগতে অসমতো পোহৰৰ উৎসৱ দীপাৱলী পালন কৰা হৈছে। এই উৎসৱ অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ প্ৰতীক। এই উপলক্ষে জনসাধাৰণে ধন, ঐশ্বৰ্য্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী আৰু ভগৱান গণেশৰ পূজা-অৰ্চনা কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দীপাৱলী উপলক্ষে আজি তিনিচুকীয়া জিলা ভ্ৰমণ কৰিব। মন্ত্ৰীগৰাকীয়ে আন কেইবাটাও কাৰ্যসূচীৰ লগতে দিনৰ প্ৰায় ১২ বজাত তিনিচুকীয়া নগৰৰ ডেইলী বজাৰ শ্যামা পূজাত ভাগ ল'ব। ইফালে, মন্ত্ৰীগৰাকীয়ে কালি ডিব্ৰুগড়ৰ বাসগৃহত বন্তি প্ৰজ্বলন কৰি পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰে। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ৰ মিলন নগৰৰ মিলনজ্যোতি সংঘত উপস্থিত হৈ স্থানীয় লোকসকলৰ সৈতে মত বিনিময় কৰে।

লখিমপুৰ জিলাতো উলহ-মালহেৰে পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰা হয়। জিলাখনত সাধাৰণ জনতাই ঘৰে ঘৰে বন্তি জ্বলোৱাৰ সমান্তৰালকৈ ৰাজহুৱা মন্দিৰ দেৱালয় আদিতো বন্তি প্ৰজ্বলন কৰে। আনহাতে কালি পূজা উপলক্ষে লখিমপুৰ চহৰৰ গোপী নগৰৰ হৰি মন্দিৰত মহিলাৰ প্ৰতি সন্মান আৰু কন্যা শিশুক সুৰক্ষা বিষয় বস্তুৰে কালীপূজা উদযাপন কৰা হয়।

oooooo

দেশৰ অন্যান্য প্ৰান্তৰ লগতে কালি ৰাজ্যৰ বিভিন্ন স্থানতো ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত আয়োজিত ৰাষ্ট্ৰীয় একতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি এই দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ১০ বছৰে চৰ্দাৰ বল্লভ ভাই পেটেলৰ নীতি আৰু প্ৰমূল্যৰে সমগ্ৰ ৰাষ্ট্ৰক একতাৰ ডোলেৰে বান্ধিবলৈ নিৰন্তৰ প্ৰচেষ্টা চলাই আছে বুলি শ্ৰীসোণোৱালে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **এক ভাৰত শ্ৰেষ্ঠ ভাৰত** নীতিৰ বিষয়ে উনুকিয়াই শ্ৰীসোণোৱালে কয় যে যি পথেৰে আগবাঢ়িবলৈ চৰ্দাৰ বল্লভ ভাই পেটেলে শক্তি দিছে, দিশ আৰু দৰ্শন দেখুৱাইছে সেই একেই পথেৰে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত দেশ বিকাশৰ পথত আগবাঢ়িছে। শ্ৰীমোদীৰ নেতৃত্বত প্ৰতিটো বৰ্গৰ লোকক সন্মান সহকাৰে জীয়াই থকাৰ মৰ্যাদা প্ৰদান কৰি ভাৰত বৰ্তমান পঞ্চম বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হৈছে বুলিও মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰে।

গোলাঘাট জিলাতো জিলা প্ৰশাসন আৰু গোলাঘাট আৰক্ষীয়ে ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে চহৰখনত শোভাযাত্ৰাৰ লগতে বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে। একেদৰে যোৰহাট জিলাতো জিলা প্ৰশাসন, জিলা আৰক্ষী, চি আৰ পি এফ আদিকে ধৰি বিভিন্ন সংস্থাৰ উদ্যোগত ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন কৰা হৈছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰে পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী মুকলি কৰা হ'ব। ইতিমধ্যে হাতীৰ ছাফাৰীৰ বাবে হাতীৰ স্বাস্থ্য পৰীক্ষা, মাউতৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় সকলো কাম-কাজ সম্পন্ন কৰা হৈছে। কঁহৰা বনাঞ্চলত বন বিভাগৰ ১০টা পোহনীয়া হাতী আৰু বাগৰি বনাঞ্চলত প্ৰায় ৫০ হাতীৰ পঞ্জীয়ন কৰা হৈছে।

ইপিনে, ২০২৪-২৫ বৰ্ষৰ বাবে নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প যোৱা ৩০ অক্টোবৰত দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰী ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে এই বিষয়ে জানিবলৈ দিয়ে।

০০০০০

কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ আমৰি সমষ্টিৰ উলুকুঞ্চি তিৱা সাংস্কৃতিক চৌহদত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ১৭ সংখ্যক লাংখন উৎসৱৰ কালি সামৰণি পৰে। তিৱা পৰম্পৰাগত লোককৃষ্টিৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে এই উৎসৱ পালন কৰা হয়। সামৰণি অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ কলা আৰু সংস্কৃতি বিভাগৰ কাৰ্যবাহী সদস্যগৰাকী মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। আলহী নিউজিলেণ্ড দলে ইতিমধ্যে বাংগালুৰু আৰু পুনেত অনুষ্ঠিত প্ৰথম দুখন খেলত জয় লাভ কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ভাৰতীয় দলে এই খেলখনত জয়লাভ কৰি প্ৰথমবাৰৰ বাবে দেশৰ মাটিত টেষ্ট ক্ৰিকেট শৃংখলাৰ আটাইকেইখন খেলত পৰাজয়ৰ গ্লানিৰ পৰা ৰক্ষা পৰাৰ চেষ্টা চলাব। ভাৰতৰ বিশ্ব টেষ্ট ছেম্পিয়নশ্বিপৰ ফাইনেলত স্থান নিশ্চিত কৰাৰো হেঁচা থাকিব। বিশ্ব টেষ্ট ছেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশৰ বাবে আৰু ৬ খন খেলৰ ফলাফল গুৰুত্বপূৰ্ণ হ'ব। ইয়াৰে ৫ খন খেল অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'ব। ভাৰতে অহা বছৰ জুনত লৰ্ডছত হ'বলগীয়া বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত দৌৰত বৰ্তি থাকিবলৈ হ'লে কমেও চাৰিখন খেলত জয় লাভ কৰিব লাগিব।

০০০০০০

আই পি এলৰ পৰৱৰ্তী সংস্কৰণৰ বাবে ৰাজস্থান ৰয়েলছে অসমৰ ৰিয়ান পৰাগসহ ছজন খেলুৱৈক ৰাখিছে। বিগত আই পি এলত সুন্দৰ প্ৰদৰ্শন কৰাৰ সুবাদত ভাৰতৰ টি-টুৱেণ্টি আৰু এদিনীয়া দলত স্থান লাভ কৰা ৰিয়ান পৰাগক ৰাজস্থান ৰয়েলছে ১৪ কোটি টকাত পুনৰ চুক্তিবদ্ধ কৰে। ইপিনে চেন্নাই ছুপাৰ কিংছে ভাৰতীয় দলৰ প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনীক পুনৰ আন এটা সংস্কৰণৰ বাবে দলত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লৈছে। মুম্বাই ইণ্ডিয়ানছে ৰোহিত শৰ্মা, যশপ্ৰীত বুমৰাহ, হাৰ্দিক পাণ্ডিয়াক দলত ৰাখিছে। গুজৰাট টাইটানছে ৰছিদ খানক ১৮ কোটি, চানৰাইজাৰ্ছ হায়দৰাবাদে হেন্‌ৰিক ক্লাছেনক ২৩ কোটি, আৰ চি বিয়ে বিৰাট কোহলীক ২১ কোটি, লক্ষ্ণৌ চুপাৰ জায়েণ্টছে নিকোলাচ পুৰাণক ২১ কোটি, চেন্নাই চুপাৰ কিংছে ৰুতুৰাজ গাইকোৱাড আৰু ৰবীন্দ্ৰ জাদেজাক ১৮ কোটি টকাত পুনৰ চুক্তিবদ্ধ কৰিছে। আই পি এলৰ দলসমূহে খেলুৱৈ নিলামৰ পূৰ্বে ৰিটেইনৰ তালিকা প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত